# প্রথম অধ্যায়

## ১.০০ শঙ্কৰদেৱৰ জীৱন, ব্যক্তিত্ব আৰু অৱদান ঃ

### ১.০১ শংকৰদেৱৰ জীৱনৰ চমু ৰূপৰেখা ঃ

অসমৰ জাতীয় জীৱনৰ অধিকাংশ দিশতে শুভ আৰু যোগাত্মক প্ৰভাৱ পেলোৱা মহাপুৰুষ শঙ্কৰদেৱ এক যুগজয়ী ব্যক্তিত্ব বুলি বিনাদ্বিধাই ক'ব পাৰি। মধ্যযুগীয় সমাজৰ সৰ্বভাৰতীয় স্তৰত ঘটা আধ্যাত্মিক, ৰাজনৈতিক অৰ্থনৈতিক সকলো ক্ষেত্ৰতে এক বিশৃংখলাপূৰ্ণ পৰিস্থিতিৰ সন্ধিক্ষণতে ১৪৪৯ খ্ৰীঃত শঙ্কৰদেৱে জন্ম লাভ কৰিছিল। শঙ্কৰদেৱৰ জন্ম সম্পৰ্কে গুৰু চৰিত সমূহত লাভ কৰা তথ্যৰ দ্বাৰাই সম্যক ধাৰণা লাভ কৰিব পাৰি। দৈত্যাৰি ঠাকুৰ কৃত শঙ্কৰদেৱৰ জীৱন-চৰিত্ৰত জন্ম সম্পৰ্কে মত উল্লেখ কৰিছে যদিও নিৰ্দিষ্ট চন, তাৰিখ উল্লেখ কৰা নাই। শুভক্ষণ শুভলগ্ন নক্ষত্ৰ মিলিল।/ সেহিবেলা কুসুমৰ পুত্ৰ উপজিল।।/দুভাগ ৰজনী অন্ধকাৰ তমোময়।/সূতিকাৰ গৃহগোট ভৈল জ্যোতিৰ্ম্ময়।।[১] কথা গুৰু চৰিত্ৰতো এই বিষয়ে উল্লেখ আছে —

> ১৩৭১ শকত গুৰু অৱতাৰ ঃ "কালৰ প্ৰমাণে মাঘৰ পৰা আশ্বিনলৈ নমাহ সম্পূৰ্ণে কাৰ্তিকৰ সংক্ৰান্তি, বাৰ বৃহস্পতি, তিথি পূৰ্ণিমা, শ্ৰাৱণা নক্ষত্ৰ, মধ্যনিশা জ্যোতিষৰ তেৰশ একসত্তৰিশকত শ্ৰীশ্ৰীমন্ত ভক্তৰ তিনি নিবন্ধৰ কল্পতৰু আত্মা মহাপুৰুষ গুৰু অৱতাৰ। [২]

লক্ষ্মীনাথ বেজবৰুৱাই বিভিন্ন মত মিলালে ১৩৭১ শকৰ কাতিৰ নাইবা আহিনৰ, নাইবা ফাগুনৰ বৃহস্পতিবাৰে মাজনিশা শঙ্কৰদেৱৰ জন্ম বুলি ধৰিব পাৰি বুলি উল্লেখ কৰিছে।

> বাঁহীত ছপা হোৱা গুৰুচৰিত পুথিত আছে ১৩৭১ শকৰ কাতিৰ সংক্ৰান্তিৰ অমাৱশ্যা তিথিত বৃহস্পতিবাৰ মাজনিশাত শংকৰদেৱৰ জন্ম হয়।[৩]

শঙ্কৰদেৱৰ জন্ম সময়ৰ বিষয়ে বেজবৰুৱাৰ পিছত অন্যান্য পণ্ডিতেও নানা ব্যাখ্যা আৰু আলোচনা আগবঢ়াইছে। যতীন্দ্ৰ নাথ গোস্বামীয়ে মত প্ৰকাশ কৰিছে যে-

> অসমৰ 'বৈষ্ণৱ সম্প্ৰদায়ৰ বিশ্বাস মতে' শ্ৰী শঙ্কৰদেৱে ১৪৪৯ খ্ৰীষ্টাব্দত বৰদোৱাত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃ কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধা। তেওঁ ওপজাৰ সময়তে মাতৃ-বিয়োগ ঘটে আৰু তাৰ পাছতে পিতৃকো হেৰুৱায়। তেওঁক বুঢ়ীমাক খেৰসুতীয়ে তুলিতালি ডাঙৰ-দীঘল কৰে।[৪]

---

১. ৰাজমোহন নাথ (সম্পা.), *শ্ৰীশ্ৰী শঙ্কৰদেৱ-মাধৱদেৱ চৰিত*, পৃ. ৬

২. লক্ষ্মীনাথ বেজবৰুৱা, *মহাপুৰুষ শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ*, পৃ. ১২

৩. উপেন্দ্ৰচন্দ্ৰ লেখাৰু (সম্পা.), *কথাগুৰু চৰিত্ৰ*, পৃ. ২০

৪. যতীন্দ্ৰনাথ গোস্বামী (সম্পা.), *শ্ৰীশ্ৰী শঙ্কৰদেৱৰ ৰচিত কীৰ্তন-ঘোষা আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ ৰচিত নামঘোষা*, পাতনি পৃষ্ঠা।

শঙ্কৰদেৱৰ জন্ম শকৰ সঠিক সময় লৈ ভিন্ন জনে ভিন্ন মত আগবঢ়াইছে। মহেশ্বৰ নেওগে দেখুৱাই দিছে যে, দৈত্যাৰি ঠাকুৰে ন দি কৈছে, চৌধ্যশ নৱৈ; শকত নিশ্চয় ঃ শঙ্কৰ বৈকুণ্ঠে গ'লা [৫]

শঙ্কৰদেৱৰ জীৱন কাল ১১৮ বছৰ ৬ মাহ আছিল। এই তথ্য বিভিন্ন গুৰুচৰিতৰ আধাৰত সত্য বুলি প্ৰমাণিত হৈছে। বিশেষকৈ দৈত্যাৰি ঠাকুৰৰ মত শুদ্ধ বুলি পূৰ্বৱৰ্তী গৱেষক সকলে গ্ৰহণ কৰিছে। দৈত্যাৰি ঠাকুৰৰ মত অনুসৰি মৃত্যুতিথি১৪৯০ শকৰ পৰা ১১৮ বৰ্ষ ৬ মাহ বিয়োগ কৰিলে শঙ্কৰদেৱৰ জন্ম তিথি ১৩৭১ শক বুলি পোৱা যায়। [ক]

## শঙ্কৰদেৱৰ চমু জীৱনপঞ্জী

| | |
|---|---|
| **জন্ম ঃ** | ১৪৪৯ খ্ৰীষ্টাব্দ, (১৩৭১ শক)ত অসমৰ নগাঁও জিলাৰ বৰদোৱাৰ আলিপুখুৰী অঞ্চলত শঙ্কৰদেৱৰ জন্ম হয়। |
| **পিতৃ-মাতৃৰ বিয়োগ ঃ** | শঙ্কৰদেৱৰ জন্মৰ কিছুদিনৰ পাছতে মাতৃ সত্যসন্ধাৰ মৃত্যু হয়। শঙ্কৰদেৱৰ প্ৰায় সাতবৰ্ষ বয়সত পিতা কুসুম্বৰো মৃত্যু হয়। |
| **শৈশৱ ঃ** | বুঢ়ী আইতাক খেৰসুতীৰ তত্বাৱধানত শঙ্কৰদেৱৰ লালন-পালন হয়। |
| **শিক্ষা ঃ** | বাৰ বছৰ বয়সত মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষা গ্ৰহণৰ বাবে শঙ্কৰদেৱক ৰখা হয়। কেৱল বৰ্ণমালা শিকিয়েই আ-কাৰ, ই-কাৰ নোহোৱাকৈ *'কৰতল-কমল-কমল-দল-নয়ন'* কোমল কবিতাটিৰ ৰচনা কৰে। ১৩৮২-১৩৮৩ শক শঙ্কৰদেৱৰ শিক্ষাজীৱনৰ গুৰুত্বপূৰ্ণ সময়। বেদ, বেদান্ত, দৰ্শন, কাব্য, ছন্দ-অলংকাৰ, ব্যাকৰণ, নিৰক্ত, চৈধ্যশাস্ত্ৰ, ওঠৰপুৰাণ সমন্বিতে সংস্কৃত ভাষাৰ প্ৰাচীন ভাৰতীয় সাহিত্য সমগ্ৰ অধ্যয়ন কৰি শঙ্কৰদেৱে অতি কম সময়তে বিদগ্ধতা লাভ কৰিছিল। |
| **শিৰোমণি ভূএগ্ৰাৰ দায়িত্ব গ্ৰহণ ঃ** | শিক্ষা জীৱনৰ অন্তত পৰিয়ালৰ হেঁচাত শিৰোমণি ভূএগ্ৰাৰ বিষয়বাব (১৪৭০-৭১শক) গ্ৰহণ কৰে আৰু অতি দক্ষতাৰে শাসকীয় কাৰ্যৱলী চলাবলৈ লয়। |

৫. মহেশ্বৰ নেওগ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃ. ১৯

**প্ৰসঙ্গটোকা** (ক) ঃ দৈতাৰি ঠাকুৰে প্ৰয়াণৰ তাৰিখ ১৪৯০ শক, ভাদ, শুক্লা দ্বিতীয়া গধূলি লিখিছে; দ্বিজ ৰামানন্দই লিখিছে সাত ভাদ, শুক্লা দ্বিতীয়া, বৃহস্পতিবাৰ, বেলা এক প্ৰহৰ। ৰামচৰণ ঠাকুৰে লিখিছে- শঙ্কৰদেৱৰ বয়স হৈছিল ১১৮ বছৰ ছ'মাহ। এই হিচাপ মতে জন্ম তাৰিখ হয়- ১৩৭১ শক ৫/৬ ফাগুন। (ৰাজমোহন নাথ (সম্পা.) ঃ *শ্ৰীশ্ৰী শঙ্কৰদেৱ-মাধৱদেৱ চৰিত*, পৃ. ৯)

**কীৰ্তনঘৰ স্থাপন ঃ** বৰদোৱাত কীৰ্তনঘৰ স্থাপন আৰু শিলত কটা চৰ্তুভুজ বিষ্ণুমূৰ্তিৰ স্থাপন।

**প্ৰথম বিবাহ ঃ** এক্রৈশ বছৰ বয়সত ১৩৯২ শকত হৰিবৰগিৰি কায়স্থৰ কন্যা সূৰ্যৱতীৰ লগত বিবাহকাৰ্য সম্পন্ন হয়। বিবাহৰ তিনি বছৰৰ অন্তত মনুনামে কন্যা সন্তান এটি জন্ম দিয়ে শিশু কন্যাৰ নমাহ হওঁতেই সূৰ্যৱতীৰ অকাল মৃত্যু ঘটে।

**তীৰ্থ ভ্ৰমণ ঃ** পত্নীবিয়োগত শোকসন্তপ্ত শঙ্কৰদেৱে মনু বিবাহ উপযোগ্যা হোৱাত ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰিৰ লগত মনুক বিবাহ কাৰ্য সম্পন্ন কৰি সাংসাৰিক দায়িত্বৰ পৰা অব্যাহতি লয়। ইয়াৰ পাছতে ১৪০৩ শকত ৩২ বছৰ বয়সত শঙ্কৰদেৱৰ তীৰ্থযাত্ৰা আৰম্ভ হয়। তেওঁ সোতৰজন সঙ্গী লৈ তীৰ্থ ভ্ৰমণলৈ গৈছিল। উৰিষ্যা, বাৰানশী, প্ৰয়াগ, বৃন্দাবন, মথুৰা, কুৰুক্ষেত্ৰ ইত্যাদি ভাৰতবৰ্ষৰ পবিত্ৰ স্থানসমূহৰ কলা-সংস্কৃতি-ধৰ্মৰ লগত গভীৰভাৱে পৰিচিত হয়। বদৰিকাশ্ৰমত শঙ্কৰদেৱে *মন মেৰি ৰাম চৰণেহি লাগু* শীৰ্ষক প্ৰথম বৰগীতটি ৰচনা কৰে। ভাৰতবৰ্ষত সৰ্বত্ৰতে বিয়পি থকা বৈষ্ণৱ জাগৰণৰ মূল তত্ত্ব উপলব্ধি কৰে।

**দ্বিতীয় বিবাহ ঃ** তীৰ্থভ্ৰমণৰ পৰা ঘূৰি অহাৰ পাছত অনিচ্ছাস্বত্বেও বুঢ়ীআই খেৰসুঁতী আৰু পৰিয়ালবৰ্গৰ হেঁচাত ১৪২৫ শকত কালিকা ভূঞাৰ কন্যা কালিন্দীক দ্বিতীয়বিবাহ কৰায়।

**বৰদোৱাত সাহিত্যিক জীৱন ঃ** তীৰহুতৰ জগদীশ মিশ্ৰৰ পৰা লাভ কৰা সংস্কৃত ভাগৱত অধ্যয়ন কৰে। বৰদোৱাত সাত বৈকুণ্ঠৰ পট আঁকি নৃত্য কলা-অভিনয়ৰ মাধ্যমেৰে জন-সাধাৰণক একত্ৰিকৰণ আৰু ধৰ্মমুখী কৰাৰ প্ৰথম প্ৰয়াস হিচাপে *চিহ্নযাত্ৰা*ৰ অভিনয় কৰায়। কীৰ্তন-ঘোষাৰ অৰ্ন্তগত *উৰেষাবৰ্ণন, অজামিলোপাখ্যান, প্ৰ াদ চৰিত্ৰ, হৰমোহন, বলি-ছলন*

*আৰু গজেন্দ্ৰোপাখ্যান* ৰচনা। ৰুক্মিণীহৰণ কাব্য আৰু ভক্তিপ্ৰদীপ পুথিখনৰ ৰচনা।

**মাধৱদেৱৰ সৈতে মিলন ঃ** ধুবাঁহাটত শাক্ত মতাৱলম্বী ডেকা মাধৱৰ সৈতে শঙ্কৰদেৱৰ যুক্তি তৰ্ক হয় বৈষ্ণৱ আৰু শাক্তমত লৈ। শঙ্কৰদেৱ জয়ী হোৱাত ভক্তিত গদ গদ হৈ পৰাস্ত মাধৱে তেওঁক গুৰু মানি সেৱা কৰে। এয়া গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ আছিল। এই সময়চোৱাতে কীৰ্তন-ঘোষাৰ অন্যান্য খণ্ডকেইটিমান আৰু পত্নী প্ৰসাদ নাটৰ ৰচনা কৰে। কীৰ্তনৰ বাকী অধ্যায়সমূহ *জৰাসন্ধৰ যুদ্ধ, কালযৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্ত হৰণ* প্ৰভৃতি ৰচনা কৰে। ভক্তি ৰত্নাকৰ, কালিয় দমন নাট, পাৰিজাত হৰণ নাট, ৰুক্মিণী হৰণ নাট, কেলিগোপাল নাট আৰু অন্তিমখন নাট *ৰাম বিজয়* নাটৰ প্ৰণয়ন সম্পন্ন কৰে।

**দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ ঃ** মাধৱদেৱ, ৰামৰায় প্ৰভৃতি ছকুৰি ভকতৰ সৈতে ১৫৫০ খ্ৰীষ্টাব্দত শঙ্কৰদেৱে পুনৰ তীৰ্থভ্ৰমণ কৰে। প্ৰায় ছমাহ কাল পুৰী, বৃন্দাৱন প্ৰভৃতি তীৰ্থ ভ্ৰমণ কৰে। ইয়াৰ কিছুদিনৰ পিছতে প্ৰিয়শিষ্য মাধৱদেৱক ধৰ্মীয় ভাৰ অৰ্পণ কৰে।

**শঙ্কৰদেৱৰ মহাপ্ৰয়াণ ঃ** ১৫৬৮ খ্ৰীষ্টাব্দ অৰ্থাৎ ১৪৯০ শকত ভাদ মাহৰ একৈছ তাৰিখে শুক্লা দ্বিতীয়া তিথি বৃহস্পতিবাৰে কোচবেহাৰত শঙ্কৰদেৱৰ মহাপ্ৰয়াণ ঘটে।

**১.০২ শঙ্কৰদেৱৰ সাহিত্য কৰ্মৰ চমু পৰিচয় ঃ** শঙ্কৰদেৱে পুৰণি অসমীয়া ভাষাক এক পৰিমাৰ্জিত ৰূপ প্ৰদান কৰি সাহিত্য চৰ্চাত ব্ৰতী হৈছিল। তেওঁ তিনিটা ভাষাত সাহিত্য চৰ্চা অব্যাহত ৰাখিছিল- পুৰণি অসমীয়া ভাষা, ব্ৰজাৱলী আৰু সংস্কৃত। ৰচনাৰ গঢ় অনুসৰি নাইবা বিষয়বস্তু অনুসৰি শঙ্কৰদেৱৰ ৰচনাৰ শ্ৰেণী বিভাজন উল্লেখ কৰা হ'ল—

ক) **কাব্য ঃ** ১। হৰিশ্চন্দ্ৰ উপাখ্যান, ২। ৰুক্মিণী হৰণ কাব্য, ৩। বলিছলন, ৪। অমৃত মন্থন, ৫। অজামিল উপাখ্যান, ৬। কুৰুক্ষেত্ৰ কাব্য।

খ) **ভক্তিতত্ত্ব প্ৰকাশক সংগ্ৰহ ঃ** ১। ভক্তিপ্ৰদীপ, ২। ভক্তি ৰত্নাকৰ (সংস্কৃত), ৩। নিমি-নৱসিদ্ধ সংবাদ, ৪। অনাদি পাতন।

গ) **অনুবাদমূলক ঃ** ১। ভাগৱত ১ ম, ২ য়, ৬ ষ্ঠ (অজামিল উপাখ্যান মাত্ৰ), ৮ ম (বলিছলন, অমৃত মথন) ১০ম, ১১শ, ১২শ স্কন্ধ আৰু উত্তৰকাণ্ড ৰামায়ণ।

ঘ) **নাট ঃ** ১। পত্নীপ্ৰসাদ, ২। কালিয় দমন, ৩। কেলিগোপাল, ৪। ৰুক্মিণীহৰণ, ৫। পাৰিজাত হৰণ আৰু ৬) ৰামবিজয়।

ঙ) **গীত ঃ** ১। বৰগীত, ২। ভটিমা, ৩। টোটয় আৰু চপয়।

চ) **নাম প্ৰসঙ্গমূলক ঃ** ১। কীৰ্তন, ২। গুণমালা।

উল্লিখিত সমগ্ৰ ৰচনাতেই শঙ্কৰী দৰ্শনৰ সূক্ষ্ম দিশসমূহ সংৰক্ষণ হৈ আছে, যিয়ে আজি পৰ্যন্ত অসমীয়া জন-জীৱনক একত্ৰিকৰণ কৰি ধৰি ৰখাত অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। এই বৰঙণিয়ে অৰ্থনৈতিক, আবেগিক, সাংস্কৃতিক, সাহিত্যিক— সকলো দিশৰ পৰাই অসমীয়া লোকজীৱনক সাংস্কৃতিক ঐক্যসূত্ৰত গ্ৰন্থন কৰি ৰাখিছে।

জাতি-ধৰ্ম-বৰ্ণ নিৰপেক্ষভাৱে সাংস্কৃতিক সুঁতিৰে ভক্তি ধৰ্মক প্ৰবাহমান কৰাৰ অভূতপূৰ্ব শৈলীৰে শঙ্কৰদেৱে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে। এই প্ৰসঙ্গত নগেন শইকীয়াই লিখিছে—

> মহাপুৰুষ শঙ্কৰদেৱে এই ভক্তি ধৰ্মৰ দাস্য ভক্তিৰ সোঁতটি বোৱাই আনিলে অসমলৈ। এই সোঁতটি ‘জাতি-অজাতি’ নিবিচাৰি সকলোৰে প্ৰাণে প্ৰাণে বোৱাই দিবৰ বাবে মহাপুৰুষ গৰাকীয়ে কাব্য, গীত, নৃত্য, বাদ্য, অভিনয়, চিত্ৰ-সুকুমাৰ কলাৰ এই আটাইবিলাক অংগকে আধাৰ কৰি ল'লে। সপ্ত বৈকুণ্ঠৰ পট আঁকাৰ সম্বাদ গুৰুচৰিতে দি থৈছে; লগতে দিছে ‘চিহ্নযাত্ৰা’ ভাওনা কৰা সম্বাদ। কাজলী মুখৰ মাটিৰে খোল তৈয়াৰ কৰি, সেই খোল চোৱাই, ঘুণ দি মৃদংগৰ এটি নতুন ৰূপ গঢ়ি তোলাৰ সম্বাদে দিছে। একেজনেই গায়ন-বায়ন নটুৱা হৈ জনসাধাৰণক বিমুগ্ধ কৰাৰ খবৰো দিছে। [৬]

শঙ্কৰদেৱৰ লিখিত সাহিত্যৰাজি শ্ৰেণীকৰণ কৰাৰ পূৰ্বে সৰ্বপ্ৰথম তেওঁৰ অন্যতম পৰিৱেশ্য কলাত্মক ৰূপ সৃষ্টি আছিল ‘চিহ্নযাত্ৰা’ নাট। এইখনেই তেওঁৰ প্ৰথম নাট।

---

৬. নগেন শইকীয়া, *বিষয় শঙ্কৰদেৱ*, পৃ. ১৩৪

প্ৰথম তীৰ্থভ্ৰমণৰ পৰা উভতি আহি বৰদোৱাত এই অভিনয় ৪ দিন ৭ ৰাতি অনুষ্ঠিত হৈছিল। এই প্ৰথম নাট সম্ভৱত ঃ সংলাপবিহীন আছিল আৰু কেৱল নৃত্য-গীত আৰু চৰিত্ৰৰ প্ৰৱেশ দেখুওৱা হৈছিল।[৭]

শঙ্কৰদেৱৰ সাহিত্যৰ প্ৰতিটি বিভাগেই একোটি গৱেষণাৰ বিষয়। গতিকে প্ৰস্তাৱিত গৱেষণাৰ বিষয়ৰ সংগতি ৰাখি তেওঁৰ নাম প্ৰসঙ্গমূলক ৰচনা কীৰ্তন-ঘোষাৰ অতিৰিক্ত অন্য সাহিত্য কৃতি সম্পৰ্কে কেৱল মাত্ৰ উনুকিওৱা হ'ল।

ক) **কাব্য ঃ**

১) **হৰিশ্চন্দ্ৰ উপাখ্যান ঃ** শঙ্কৰদেৱৰ প্ৰথম কাব্যৰূপে এইখনি উপাখ্যান চিহ্নিত কৰা হৈছে। ইয়াৰ কথাবস্তু 'মাৰ্কেণ্ডয় পুৰাণ'ৰ সপ্তম-নৱম অধ্যায়ৰ পৰা গ্ৰহণ কৰা হৈছে। বৈষ্ণৱ ধৰ্মৰ চাৰিখুঁটি প্ৰথমে এই কাব্যৰ জৰিয়তে প্ৰতিষ্ঠা কৰা হয়। ৰজা হৰিশ্চন্দ্ৰই একমাত্ৰ ভগৱানৰ প্ৰতি থকা গভীৰ নিষ্ঠাত ব্ৰতী থাকি ৰাজপদ, পুত্ৰ-ভাৰ্যা সমস্ত হেৰুৱাই আনকি অনুচিত পাত্ৰত নিজকে বিক্ৰী কৰিও ভগৱানৰ প্ৰতি ভক্তি আৰধনাৰ হেলা কৰা নাছিল।

উপাখ্যানখনিত ভক্তিৰসৰ পুষ্টি সাধনৰ বাবে বিবিধ সাহিত্যৰসৰ প্ৰয়োগ— ৰৌদ্ৰ, ভয়ানক, বীভৎস, সাৰ্থক ভাৱে কৰা হৈছে। কৰুণ, বাৎসল্য, অদ্ভুত হাস্যৰসৰ সাৱলীল প্ৰয়োগ লক্ষ্য কৰা যায়।

উপাখ্যান খনিত শঙ্কৰদেৱে অলংকাৰৰ ভিত্তিত মনোৰম চিত্ৰ উপস্থাপন কৰিছে। শব্দালংকাৰ, অৰ্থালঙ্কাৰৰ বিবিধ ভাগসমূহৰ অপূৰ্ব প্ৰয়োগ অতি সহজভাৱে কৰা হৈছে।

যেনেঃ *(১) শালগ্ৰাম মাটিত নটীক যে পীৰা।।* ২৭ (উৎপ্ৰেক্ষা)

*(২) হৃদয়ৰ মাংস কাটি কোনে লৈয়া যায়।।* ৩১৮ (নিদৰ্শনা)

২) **ৰুক্মিণীহৰণ কাব্য ঃ** এইখনি শঙ্কৰদেৱৰ দ্বিতীয়খনি কাব্য। ভাগৱত পুৰাণ আৰু হৰিবংশৰ উপাদানৰ লগে লগে শঙ্কৰদেৱৰ মৌলিক সংযোজনাৰ সমলেৰে ৰুক্মিণীহৰণ সাহিত্য ইতিহাসৰ এক মূল্যৱান সম্পদ। কৃষ্ণ আৰু ৰুক্মিণীৰ প্ৰেম বিবাহৰ পৰিক্ৰমাত সংঘটিত হোৱা বিবিধ কাহিনীৰ-কুণ্ডিল নগৰীৰ ৰুক্মিণীৰ স্বয়ম্বৰ সভা, ৰুক্মিণীৰ বেদনিধিৰ যোগেদি কৃষ্ণলৈ প্ৰেমবাৰ্তা প্ৰেৰণ, কৃষ্ণৰ দেবেন্দ্ৰ মন্দিৰ ৰুক্মিণীৰ দৰ্শন, শিশুপাল, ৰুক্মবীৰ ইত্যাদিৰ লগত যুঁজ, অৱশেষত কৃষ্ণৰ দ্বাৰা ৰুক্মিণীৰ হৰণৰ মাধ্যমেৰে এটি গভীৰ প্ৰেম ভক্তিৰস সিক্ত কীৰ্তনৰ আখ্যান সৃষ্টি হ'ল।

উপাখ্যানটিত ভক্তি ৰসক পূৰ্ণতা প্ৰদান কৰিছে শৃংগাৰ, বীৰ, ৰৌদ্ৰ, ভয়ানক, কৰুণা, হাস্য ৰসসমূহৰ

৭. সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ১১৮

সাৰলীল প্ৰয়োগে। তদুপৰি ছন্দ প্ৰয়োগৰ ক্ষেত্ৰতো শঙ্কৰদেৱে সুদক্ষতা প্ৰদৰ্শন কৰিছে। প্ৰধানকৈ ছবি আৰু দুলড়ী ছন্দৰ প্ৰয়োগ কাব্যখনিত লক্ষ্য কৰা যায়। আকৌ জনজীৱনৰ মুখৰ ভাষাৰ পৰা আহৰিত বিবিধ জতুঁৱা বাক্য, অৰ্থবহ খণ্ডচিত্ৰৰ প্ৰয়োগো কাব্যখনিৰ বিশেষত্ব।

৩) **অজামিল উপাখ্যান ঃ** মূল ভাগৱত পুৰাণৰ পৰা বিষয়বস্তু গ্ৰহণ কৰি ভক্তিতত্ত্বৰ মূল দৰ্শন প্ৰতিষ্ঠাপন কৰা অজামিল-উপাখ্যান কাব্যখনি শঙ্কৰদেৱৰ অন্যতম সৃষ্টি। অতি অনাচাৰী পাপভ্ৰষ্ট অজামিলেও মৃত্যুৰ সময়ত 'নাৰায়ণ' নাম লৈ ঘোৰ নৰক যাতনাৰ পৰা হাত সাৰিবলৈ সক্ষম হৈছিল। জুৱাত আসক্ত, ধৰ্মপথৰ পৰা বিচ্যুত হৈ সংসাৰ ধৰ্ম ত্যাগ কৰি বেশ্যাত পতিত হৈ চুৰি-ডকাইটিত জীৱন নিৰ্বাহ কৰা ব্ৰাহ্মণ অজামিলে মৃত্যুৰ সময়ত কনিষ্ঠ পুত্ৰ 'নাৰায়ণ'ৰ নাম লোৱাৰ লগে লগে ভগৱান স্মৰণৰ আভাস মাত্ৰ হৈ পৰম মুক্তি লাভ কৰিলে। উপাখ্যানটিত ভক্তি ৰসক পৰিপুষ্ট কৰিছে বীৰ, ৰৌদ্ৰ, বাৎসল্য আদি ৰসে। বৰ্ণনামূলক আৰু নীৰস শাস্ত্ৰকথাৰ বেছি প্ৰাধান্য থকা স্বত্বেও হৰিভক্তি তথা নামৰ মহাত্ম্য প্ৰতিষ্ঠাপক গুৰুত্বপূৰ্ণ কাব্য অজামিল উপাখ্যান।

৪) **অমৃত মন্থন ঃ** অমৃত মন্থন কাব্যখনিৰ সমল মূল ভাগৱত ৮ ম স্কন্ধৰ পৰা লোৱা হৈছে। দুৰ্বাসা ঋষিৰ দ্বাৰা অভিশাপগ্ৰস্থ দেৱতাসকলৰ শ্ৰীহীনতাৰ সুযোগ লৈ দৈত্যৰাজ বলিয়ে স্বৰ্গ আক্ৰমণ কৰে। যুদ্ধৰ অন্তত দানৱগণ জয়ী হয় আৰু মৃত দৈত্যবৃন্দক শুক্ৰাচাৰ্যই সঞ্জীৱনীৰ দ্বাৰা পুনৰ্জীৱিত কৰি তোলে। ইয়াৰ পাছত দেৱতাসকলে বিষ্ণুৰ পৰামৰ্শমৰ্মে দানৱ সকলৰ লগত মিত্ৰতা কৰি অমৃত মন্থন কৰিবলৈ ওলাল। দেৱতা-দানৱ উভয়ে মন্দৰ পৰ্বত আনি বাসুকী নাগক মন্থনী জৰী হিচাপে লৈ সাগৰ গৰ্ভৰ পৰা অমৃত মন্থন কৰি উলিয়ালে। লগে লগে অনেক দৈব্য বস্তুৰ লগতে স্বয়ং লক্ষী দেৱীৰো আৰ্বিভাৱ আৰু কলকূট বিষ নিৰ্গত হোৱাৰ লগে লগে মহাদেৱে তাক গ্ৰহণ কৰিলে। পৰিশেষত অমৃতক লৈ দেৱতা অসুৰৰ মাজত হোৱা বিতণ্ডাৰ ফলস্বৰূপে ভগৱান শ্ৰীকৃষ্ণই মোহিনী নাৰীবেশ লৈ দেৱতাক অমৃত পান কৰালে। ইয়াৰ লগে লগে মহাযোগী শিৱৰ বিষ্ণুৰ নাৰীমায়া দেখি হোৱা দুৰৱস্থাৰ সাৱলীল বৰ্ণনা বৰ্ণিত হৈছে। কাব্যখনিত ছন্দ, অলংকাৰ, জতুঁৱা ঠাঁচৰ সুন্দৰ ব্যৱহাৰ প্ৰকাশ পাইছে।

৫) **বলিছলন কাব্য ঃ** শঙ্কৰদেৱৰ পঞ্চম কাব্যকৃতি বলিছলন কাব্যৰ মূল সমল ভাগৱত পুৰাণৰ অষ্টম স্কন্ধৰ পৰাই লোৱা হৈছে। বলিয়ে অমৰাৱতী অধিকাৰ কৰাৰ ফলত দেৱতাসকলৰ ভীতিবিহ্বল অৱস্থা, পলায়ন, দুৰৱস্থাজনিত বিৱৰণ কাব্যখনিত আছে। বলিৰ পৰাভৱৰ পাছতহে দেৱতাসকলে স্থিৰতা পাবলৈ সক্ষম হ'ব। সেইবাবে ভগৱানে ঋষি কাশ্যপৰ পত্নী অদিতিৰ পুত্ৰৰূপে জন্ম গ্ৰহণ কৰিলে। এই পুত্ৰই

বিষ্ণুৰ বামন অৱতাৰ। দানবীৰ ৰূপে অদ্বিতীয় বলি ৰজাক বামন ৰূপী ভগৱান বিষ্ণুয়ে "তিনিপদ ভূমি" দান খুজিলে। সত্য ৰক্ষা কৰিবৰ নিমিত্তে বলিয়ে ভগৱানৰ সেৱাৰ পূণ্য লাভ কৰি স্বহস্তে স্বৰ্গ, পৃথিৱী ভগৱানক দান কৰি তৃতীয়পদ ভূমিৰ বাবে নিজৰ মস্তক আগবঢ়াই দিছিল। কাব্যখনিত বলিৰ দাস্যভক্তিৰ গভীৰতাক ৰৌদ্ৰ, বীৰ, ভয়ানক, অদ্ভুত আদি অঙ্গৰসৰ মাধ্যমেৰে পৰিপুষ্ট কৰা হৈছে। শঙ্কৰদেৱৰ ভাষা আৰু অলঙ্কাৰৰ প্ৰয়োগে কাব্যখন ৰসপূৰ্ণ কৰি তুলিলে।

৬) **কুৰুক্ষেত্ৰ যাত্ৰা ঃ** কুৰুক্ষেত্ৰ যাত্ৰা শঙ্কৰদেৱৰ শেষ বয়সৰ ৰচনা। মূল ভাগৱতৰ দশম স্কন্ধৰ পৰা এই কাব্যৰ কাহিনীভাগ গ্ৰহণ কৰা হৈছে। ব্ৰজবাসী আৰু গোপীসকলৰ লগত কটোৱা মধুৰতম সময়ৰ অন্তত কৃষ্ণই ভাৰতবৰ্ষৰ কুৰুক্ষেত্ৰ, য'ত কৌৰৱ, যাদৱ আদি বীৰযোদ্ধা, ঋষি-মুনি, ৰজা-মহাৰজাসকল মিলিত হৈ পৰম তীৰ্থত পৰিণত কৰাৰ কথা বৰ্ণোৱা হৈছে। যদুবংশীয় সকল, দ্ৰৌপদী আৰু কৃষ্ণমহিষী আৰু কৃষ্ণৰ গোপীসকলৰ লগত অন্তিম মহামিলনৰ গভীৰ ভক্তিময় প্ৰেম কাব্যখনিৰ বিষয়বস্তু। কৃষ্ণৰ বিৰহত হোৱা গোপীসকলৰ গভীৰতম প্ৰেমভক্তিৰ তত্ত্ব শঙ্কৰদেৱে ব্যাখ্যা কৰিছে। সমস্ত জাগতিক সংসাৰ মায়া ত্যাগ কৰি কৃষ্ণত বিলীন হোৱা এই ভক্তিৰ তুলনা নাই। এয়াই নৱবৈষ্ণৱ ধৰ্মৰ মূল লক্ষ্য।

(খ) **ভক্তিতত্ত্ব প্ৰকাশক সংগ্ৰহ ঃ**

(১) **ভক্তিপ্ৰদীপ ঃ** চৰিত পুথিৰ পৰা জনা যায় যে ভক্তিপ্ৰদীপ শঙ্কৰদেৱৰ আদি বয়সৰ ৰচনা। কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ মাধ্যমেৰে ভকতৰ লক্ষণ, ভকতিৰ মহিমাৰ দাৰ্শনিক তত্ত্ব পুথিখনত প্ৰকাশ কৰা হৈছে। গ্ৰন্থখনিৰ বিষয়বস্তুৰ মূল উৎস গৰুড় পুৰাণ।

(২) **ভক্তি ৰত্নাকৰ** (সংস্কৃত) **ঃ** শঙ্কৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা ভক্তি তত্ত্ব প্ৰকাশক গ্ৰন্থখনি হ'ল ভক্তিৰত্নাকৰ। শঙ্কৰদেৱে ভক্তি মাৰ্গৰ বিশেষত্বসমূহ বিভিন্ন বৈষ্ণৱ শাস্ত্ৰৰ পৰা সংকলন কৰি একশৰণ হৰিনাম ধৰ্মৰ প্ৰতিষ্ঠাৰ আদৰ্শ প্ৰকাশ কৰি সংস্কৃত ভাষাত এই পুথি ৰচনা কৰে। বিষ্ণুপুৰী সন্ন্যাসী সংকলিত ভক্তি-ৰত্নাৱলী গ্ৰন্থখনি শঙ্কৰদেৱে লাভ কৰাৰ পাছত তেওঁ ভক্তি ৰত্নাকৰ লিপিবদ্ধ নকৰা হ'লেও হয় বুলি খেদ প্ৰকাশ কৰিছিল। মূল ভাগৱত পুৰাণৰ পৰা সমল লৈ ভক্তি-ৰত্নাকৰৰ চাৰি ভাগৰ তিনিভাগ শ্লোক চয়ন কৰা হৈছে। ভক্তি-ৰত্নাকৰ পুথিত ৫৪৬ টি শ্লোক সন্নিবিষ্ট কৰা আছে। গ্ৰন্থখনিয়ে সংস্কৃত ভাষাত থকা শঙ্কৰদেৱৰ গভীৰ পাণ্ডিত্য আৰু দক্ষতাৰ পৰিচয় দিয়ে।

(৩) **নিমি-নৱসিদ্ধ সংবাদ ঃ** এইখনি শঙ্কৰদেৱৰ অনুবাদমূলক ভক্তিতত্ত্ব প্ৰকাশক সংগ্ৰহ। শ্ৰীমদ্ভাগৱত পুৰাণৰ একাদশ স্কন্ধৰ দ্বিতীয়ৰ পৰা পঞ্চম অধ্যায়ৰ সাৰলীল অসমীয়া অনুবাদৰে এইখনি স্বতন্ত্ৰ বৈষ্ণৱ

ধৰ্ম প্ৰকাশক সাহিত্য। গধুৰ দাৰ্শনিক তত্ত্ব সৰলভাৱে ব্যাখ্যা কৰাত শঙ্কৰদেৱে দক্ষতা লাভ কৰিছে। নিমি ৰজাই ন-জন সিদ্ধক নটি তত্ব গধুৰ প্ৰশ্ন কৰিছে আৰু তেওঁলোকে সেইসমূহৰ উত্তৰ দিছে। উক্ত নটি প্ৰশ্নোত্তৰৰ মাধ্যমেৰে গভীৰ দাৰ্শনিক তত্ত্ব প্ৰকাশ কৰা হৈছে। তত্ত্বগধুৰ হ'লেও কাব্যখনিত শঙ্কৰদেৱে উপমা আদি অলংকাৰ প্ৰয়োগ কৰি বৰ্ণনীয় বিষয় স্পষ্ট আৰু ৰসোত্তীৰ্ণ কৰিছে।

(৩) **অনাদি পাতন ঃ** শঙ্কৰদেৱৰ জীৱনৰ বিয়লি সময়ৰ ৰচনা হিচাপে অনাদিপাতনক এখন অন্যতম ভক্তি তত্ত্বপ্ৰকাশক গ্ৰন্থৰূপে স্বীকৃতি দিয়া হয়। সৃষ্টিৰ আদি, প্ৰলয়, প্ৰকৃতিতত্ত্ব, চৰাচৰ প্ৰাণীৰ বিকাশ, জ্যোতিষচক্ৰ, নৰক, দেহতত্ত্ব আদি জটিল তাত্ত্বিক কথাৰ আলোচনা এই গ্ৰন্থত পোৱা যায়। মূল ভাগৱতৰ তৃতীয় স্কন্ধৰ পৰা এই গ্ৰন্থৰ বিষয়বস্তু আহৰণ কৰা হৈছে।

গ) **অনুবাদমূলক ঃ** জগদীশ মিশ্ৰৰ পৰা লাভ কৰা সংস্কৃত ভাগৱত সম্পূৰ্ণভাৱে অধ্যয়ন কৰি শঙ্কৰদেৱে ভাগৱত পুৰাণৰ কিছু অংশ অনুবাদ কৰে। তেওঁ এই প্ৰয়োজনমতে হ্ৰস্ব-দীৰ্ঘ কৰি মৌলিকতাসম্পন্ন সাহিত্য ৰূপেহে অনুবাদ কাৰ্য কৰে।

(১) **প্ৰথম স্কন্ধঃ** মূল ভাগৱতৰ প্ৰথম স্কন্ধৰ ঊনৈশটি অধ্যায়ত থকা মুঠ ৮১৬ টা শ্লোক শঙ্কৰদেৱে অসমীয়া অনুবাদত সংক্ষিপ্তভাৱে মুঠ ৪২১ টা পদত সমাপ্ত কৰিছে। জটিল দৰ্শনৰে পৰিপূৰ্ণ তত্ত্ব সহজ সৰল অসমীয়া পদত ভাঙনি কৰিছে। ব্যাস-নাৰদ সংবাদ, নাৰদৰ পূৰ্বজন্ম কথন, শ্ৰীকৃষ্ণৰ দ্বাৰকা গমন, পৰীক্ষিতৰ জন্ম বৃত্তান্ত, পৰীক্ষিতৰ ওচৰলৈ শুকদেৱৰ আগমন ইত্যাদি বিষয়সমূহ এই খণ্ডত বৰ্ণিত হৈছে।

(২) **দ্বিতীয় স্কন্ধ ঃ** দহটা অধ্যায় আৰু ৩৯২ টা শ্লোকযুক্ত মূল ভাগৱতৰ দ্বিতীয় স্কন্ধটি শঙ্কৰদেৱে মাত্ৰ ২৬১ টা পদত অসমীয়ালৈ ভাঙনি কৰিছে। শুকমুনি আৰু পৰীক্ষিতৰ কথোপকথনৰ মাধ্যমেৰে ভগৱানৰ ঐশ্বৰ্যময় ৰূপ, লীলাৰ কথাৰে ভাগৱত ব্যাখ্যা কৰা হৈছে।

(৩) **ষষ্ঠ স্কন্ধ ঃ** শঙ্কৰদেৱে মূল সংস্কৃত ভাগৱতৰ ষষ্ঠ স্কন্ধৰ মাত্ৰ অজামিল উপাখ্যান খণ্ডহে ৰচনা কৰিছে। নামৰ মহাত্ম্য দেখাবৰ নিমিত্তে মূল ভাগৱতৰ তিনিটা অধ্যায় আৰু ১৪৯ টা শ্লোকৰ সম্প্ৰসাৰণ কৰি শঙ্কৰদেৱে ৩৪০ টা পদ ৰচনা কৰি খণ্ডটি সম্পূৰ্ণ কৰিছে।

(৪) **অষ্টম স্কন্ধ ঃ** মূল ভাগৱতৰ অষ্টম খণ্ডৰ গজেন্দ্ৰৰ উপাখ্যান অমৃত মন্থন আৰু বলিছলন উপাখ্যান তিনিটি শঙ্কৰদেৱে ৰচনা কৰে। উপমা, ৰূপক আদিৰ প্ৰয়োগেৰে শঙ্কৰদেৱৰ মৌলিক প্ৰতিভা অনুবাদ কৰ্মতো সুন্দৰভাৱে পৰিস্ফুট হৈছে।

(৫) **দশম স্কন্ধ ঃ** শঙ্কৰদেৱে মূল দশমৰ আদি ছোৱা ৰচনা কৰিছে। বৈষ্ণৱ সকলৰ চাৰি পুথিৰ অন্যতম শ্ৰদ্ধাৰ আসনত থকা প্ৰতিষ্ঠিত পুথি এই দশম খনি। শঙ্কৰদেৱে অসমৰ স্থানীয় ৰূপৰ পৰশ বোলাই মৌলিকত্ব সম্পূৰ্ণ অনুবাদ কৰিছে। শাস্ত্ৰখনিত বঢ়া-টুটা নিয়ম মানি অথচ কাব্যিক সৌন্দৰ্যৰে পৰিপূৰ্ণ কৰি শ্ৰীকৃষ্ণৰ কুৰুক্ষেত্ৰ গমন, নন্দ-যশোদা আৰু গোপীসকলৰ লগত শ্ৰীকৃষ্ণ-বলৰামৰ মিলন, দ্ৰৌপদী আৰু কৃষ্ণ মহিষীসকলৰ কথোপ-কথন, দৈৱকীৰ মৃত পুত্ৰৰ আনয়ন ইত্যাদি কাহিনী বিবৃত কৰা হৈছে।

(৬) **একাদশ স্কন্ধ ঃ** মূল একাদশ স্কন্ধ ভাগৱতৰ একত্ৰিশটা অধ্যায়ৰ ১৪৫৯ টা শ্লোক শঙ্কৰদেৱে ৮৪৬ টা পদত সম্পূৰ্ণ কৰিছে। ইয়াৰ বিষয়বস্তুৰ ভিতৰত আছে- শ্ৰী কৃষ্ণৰ যদুবংশ ধ্বংসৰ ইচ্ছা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ্য প্ৰয়াণ, অৰ্জুন-উদ্ধৱৰ বিষাদ ইত্যাদি।

(৭) **দ্বাদশ স্কন্ধ ঃ** শঙ্কৰদেৱে তেৰটা অধ্যায়ৰ ৩৬৩ টা শ্লোকত পূৰ্ণ হোৱা মূল ভাগৱতৰ দ্বাদশ স্কন্ধটি অসমীয়ালৈ ৫৩৮ টি পদত চমুকৈ সৰল ভাঙনি কৰিছে। চন্দ্ৰ বংশৰ বিৱৰণ, কলিৰ ধৰ্মকথন, ভাগৱতৰ তাৎপৰ্য আদিৰ কথা খণ্ডটি সন্নিৱিষ্ট হৈছে।

ভাগৱতৰ আটাইকেইটি অনূদিত অধ্যায়ত শঙ্কৰদেৱৰ ভাষা আৰু ছন্দ, অলংকাৰ ৰসৰ সু-প্ৰয়োগৰ জৰিয়তে অতিশয় সুন্দৰ হৈছে।

(৮) **উত্তৰকাণ্ড ৰামায়ণ ঃ** মহৰ্ষি বাল্মীকিয়ে ৰচনা কৰা মহাবাক্য সপ্তকাণ্ড ৰামায়ণৰ অসমীয়ালৈ অনুবাদ কৰিছিল মহামানিক্য ৰজাৰ অনুৰোধ মৰ্মে মাধৱ কন্দিলীয়ে। কন্দলীৰ দেহাৱসানৰ পাছত শঙ্কৰ-মাধৱৰ দিনত আদি আৰু উত্তৰকাণ্ড দুটি দুষ্পাপ্য হৈ পৰিছিল। মাধৱদেৱে আদি কাণ্ড আৰু শঙ্কৰদেৱে উত্তৰকাণ্ড পুনৰ ৰচনা কৰি ৰামায়ণখন সম্পূৰ্ণ কৰি থয়। উত্তৰকাণ্ড খণ্ডটিত ৰামে সীতাক অগ্নিপৰীক্ষা কৰাৰ পাছত অযোধ্যা নগৰীত ৰাজপ্ৰসাদত হোৱা বিবিধ কাৰ্যৰ বিৱৰণ আছে। সীতাৰ গৰ্ভাৱস্থা, কৌশল্যা সমন্বিতে শাহুসকলৰ আনন্দোৎসৱ, সীতাৰ প্ৰতি দুষ্টলোকৰ অপবাদৰ কলঙ্কৰ দোষ গুচাবলৈ সীতাক বনবাস দিয়া, তপোবনত বাল্মীকিৰ আশ্ৰমত সীতাৰ লৱ-কুশ দুই পুত্ৰৰ জন্ম, ৰামৰ দ্বাৰা পতা অশ্বমেধ যজ্ঞৰ বিৱৰণ, যজ্ঞানুষ্ঠানত লৱ-কুশৰ দ্বাৰা ৰামৰ কাহিনী কীৰ্তন, পিতা-পুত্ৰৰ মিলন, ৰামৰ পুনৰ সীতাক অযোধ্যালৈ আহ্বান আৰু দুখ তাপ-অপমান ক্লিষ্টা সীতাই বাল্মীকি সহিতে আহি ৰাজসভাত উপস্থিত হৈ অন্তৰৰ জ্বালা উজাৰি পাতালত প্ৰৱেশ কৰাৰ সাৱলীল বৰ্ণনা শঙ্কৰকবিয়ে কৰিছে।

গ) নাট ঃ

(১) **পত্নীপ্ৰসাদ ঃ** পত্নীপ্ৰসাদ মহাপুৰুষ জনাৰ প্ৰথম লিখিত পূৰ্ণদৈৰ্ঘ্যৰ অংকৰ নাট বুলি ধৰা হয়। তেওঁৰ অন্যান্য নাটৰ পয়াৰ সমূহ ব্ৰজাৱলী ভাষাত লিখিত; কিন্তু এই নাটৰ পয়াৰ শুদ্ধ অসমীয়া ভাষাত লিখিত। ভাগৱতৰ দশম স্কন্ধৰ ত্ৰয়োবিংশ অধ্যায়ৰ ভিত্তিত এই নাটৰ কথাবস্তু ৰচিত হৈছে। যাগযজ্ঞৰ প্ৰতি আস্থাশীল, ভক্তিবিৰোধী, পাণ্ডিত্যভিমানী ব্ৰাহ্মণসকলৰ লগত কৃষ্ণ ভক্তি পৰায়ণ ব্ৰাহ্মণ পত্নী আৰু গোপসকলৰ বিৰোধক কেন্দ্ৰ কৰি এই নাট ৰচনা কৰা হৈছে।

(২) **কালিয়দমন ঃ** মূল 'ভাগৱত'ৰ দশমস্কন্ধৰ যোড়শ সপ্তদশ অধ্যায়ৰ বিৱৰণৰ ভেঁটিত এই নাট ৰচিত হৈছে। নাটখন বৰ্ণনাধৰ্মী।

(৩) **কেলিগোপাল ঃ** ভাগৱতৰ দশম স্কন্ধৰ ঊনত্ৰিংশ অধ্যায়ৰ পৰা ত্ৰয়ত্ৰিংশ (২৯-৩৩) অধ্যায় অৰ্থাৎ কৃষ্ণৰ ৰাসলীলাৰ *ৰাস পঞ্চাধ্যায়ী* খণ্ডৰ কাহিনীৰ আলামত কেলিগোপাল নাট ৰচিত হৈছিল। কেলিগোপাল নৃত্য-গীত মুখৰ নাট।

(৪) **পাৰিজাত হৰণ ঃ** এই নাটক শঙ্কৰদেৱৰ শ্ৰেষ্ঠ নাট বুলি ধৰা হয়। পাৰিজাত হৰণৰ মূল কাহিনীৰ সমল ভাগৱত পুৰাণ, হৰিবংশ আৰু বিষ্ণু পুৰাণৰ পৰা সংগ্ৰহ কৰা হৈছে।

(৫) **ৰুক্মিণীহৰণ ঃ** আটাইকেইখন নাটতকৈ কলেৱৰত বৃহৎ ৰুক্মিণী হৰণ নাটখনি শঙ্কৰদেৱৰ অনুপম কৃতি। এই নাটৰ কথাবস্তু ভাগৱত পুৰাণৰ পৰা সংগ্ৰহ কৰিছে, হৰিবংশৰ প্ৰভাৱ ইয়াত নাই।

(৬) **ৰামবিজয় ঃ** ৰামবিজয় বা সীতা সয়ম্বৰ মহাপুৰুষৰ শেষ নাট। এইখন নাটৰ বিষয়বস্তুৰ ৰামায়ণৰ পৰা আহৰিত। নাটখন ৰচনাকাল সন্দৰ্ভত শঙ্কৰদেৱে নিজে লিপিবদ্ধ কৰি থৈ গৈছে—

বিন্দুৰন্ধ্ৰ বেদচন্দ্ৰ শাকে শঙ্কৰ সংজ্ঞকে।
শ্ৰীৰাম বিজয়ং নাম নাটকং বিদধেহধুনা।।[৮]

অৰ্থাৎ ১৪৯০ শকত (ইং ১৫৬৮ চনত) এই নাট ৰচনা কৰা হয়। একেবছৰতে শঙ্কৰদেৱৰ দেহাৱসানো ঘটে।

(ঘ) **গীত ঃ**

(১) **বৰগীত ঃ** বৰগীত অসমীয়া গীতি সাহিত্যৰ উচ্চখাপৰ অতিশয় গুৰুত্বপূৰ্ণ শাখা।

বৈষ্ণৱ ধৰ্মীয় গীতৰ অন্যতম শাখা বৰগীত সমূহ শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰিছিল। উচ্চ আধ্যাত্মিক ভাৱ সম্পন্ন শঙ্কৰদেৱে আৰম্ভ কৰা গীতৰ ধাৰাটোক পাছত মাধৱদেৱে আগবঢ়াই

৮. কেশৱানন্দ দেৱ গোস্বামী, *অঙ্কমালা*, পৃ. ১৮০

নিছিল। 'বৰগীত' নামকৰণ শঙ্কৰ-মাধৱৰ পৰৱৰ্তী দিনত কৰা হৈছিল বুলি চৰিত পুথিসমূহৰ কথাই প্ৰমাণ কৰে। চৰিত পুথিৰ মত অনুসৰি শঙ্কৰদেৱৰ নিজে ৰচনা কৰা বৰগীতৰ সংখ্যা ১২ কুৰি আছিল। কিন্তু কমলা গায়ন নামৰ ভকত এজনে আওঁৰাবলৈ নিওতে তেওঁৰ ঘৰত জুই লাগি আটাইবোৰ গীত পুৰি ছাই হ'ল। ভকতসকলৰ কণ্ঠস্থ হৈ ৰৈ যোৱা ৩৪ টা গীতহে বৰ্তমান সময়ত পোৱা যায়।

শঙ্কৰদেৱৰ আজ্ঞা অনুসৰি শিষ্য মাধৱদেৱে নকুৰি এঘাৰটা গীত ৰচনা কৰা বুলি চৰিতপুথিত উল্লেখ আছে। কিন্তু প্ৰকৃততে দুয়োগৰাকী মহাপুৰুষৰে প্ৰচলিত বৰগীতৰ সংখ্যা ১৯১ টাতকৈ বেছি নহয়। শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা উচ্চ মৰ্যদা সম্পন্ন ধৰ্মীয় ভাবযুক্ত বিশেষ শ্ৰেণীৰ গীতসমূহকে বৰগীত বোলা হয়। বৰগীতসমূহ সাংসাৰিক জগতৰ লৌকিকতাৰ পৰা সম্পূৰ্ণ মুক্ত। এই সমূহ আধ্যাত্মিক ভাবৰ উপাসনা সংগীত আৰু বেছি ভাগ বৰগীতৰ ভাষাই ব্ৰজাৱলী।

(২) **ভটিমা ঃ**

ভটিমা বৈষ্ণৱ সাহিত্যৰ ভক্তি প্ৰধান এক বিশেষ স্তুতিগীত প্ৰাচীন ভাৰতবৰ্ষত ভাটসকলে ৰজা-মহাৰজা, ধনী ব্যক্তিসকলৰ প্ৰশস্তিমূলক গীত গাই ফুৰিছিল। ইয়াৰ বিষয়বস্তু গম্ভীৰ। শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণৰ কালত বিভিন্ন বিদেশী ভাট লগ পাইছিল আৰু প্ৰভাৱিত হৈছিল। মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰনাথ শৰ্মাই শঙ্কৰদেৱে ৰচনা কৰা ভটিমা তিনিভাগত ভগাইছে— নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা। পাছলৈ মাধৱদেৱে গুৰুভটিমা ৰচনা কৰিছিল। শঙ্কৰদেৱ ৰচিত ভটিমাৰ ভাষা ব্ৰজাৱলী। ছন্দ আৰু অলংকাৰৰ সুপ্ৰয়োগেৰে গাম্ভীৰ্যসম্পন্ন শব্দ সংযোজনাৰে ভটিমাসমূহ বৈষ্ণৱ গীতিসাহিত্যৰ বিশিষ্ট শাখা।

(৩) **টোটয় আৰু চপয় ঃ** টোটয় আৰু চপয়ো বিশেষ প্ৰশংসাসূচক স্তুতি গীত। অংকৰ নাটসমূহত এই গীতৰ ব্যৱহাৰ আছে। নৰনাৰায়ণৰ ৰাজসভাত শঙ্কৰদেৱে *মধুদানৱ দাৰণ দেৱবৰং...* টোটয়টি গাইছিল।

(ঙ) **নাম প্ৰসঙ্গৰ পুথি ঃ**

(১) **কীৰ্তন-ঘোষা ঃ** বৈষ্ণৱ সাহিত্যৰ অন্যতম ভক্তি ৰস সমৃদ্ধ আখ্যানমূলক কাব্য হ'ল কীৰ্তন-ঘোষা। প্ৰধানত ঃ নাম প্ৰসঙ্গৰ উদ্দেশ্যেৰেই শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ ৰচনা কৰিছিল ধৰ্মক কলা, শিল্প, সাহিত্যৰ মাধ্যমেৰে উত্তৰণ ঘটাই জন-জীৱনৰ সত্তাত সম্পৃক্ত কৰি তোলাত এই পৱিত্ৰ গ্ৰন্থ সফল হৈছিল। নৱবৈষ্ণৱ ধৰ্মৰ চাৰি পুথিৰ অন্যতম কীৰ্তন-ঘোষাৰ বিস্তৃত আলোচনা পাছৰ পৰ্যায়ত কৰা হৈছে।

(২) **গুণমালা ঃ** গুণমালা শঙ্কৰদেৱৰ অসাধাৰণ কৃতি। নৰনাৰায়ণৰ ৰাজসভাত হাতীমাৰি ভুৰুকাত ভৰোৱাৰ অসামান্য প্ৰদৰ্শনৰ পৰিচায়ক হিচাপে বৃহৎ ভাগৱতৰ সাৰাংশ মাত্ৰ ৩৭৭ টা পদত চমুকৈ শঙ্কৰদেৱে

প্ৰকাশ কৰিছিল। ভগৱানৰ প্ৰশস্তিমূলক স্তুতিৰ ওপৰত এই পুথিত গুৰুত্ব আৰোপ কৰা হৈছে। ছয় আখৰীয়া কুসুমমালা ছন্দত ছটা খণ্ডত গুণমালা পুথিখনি ৰচনা কৰা হৈছে। প্ৰথম খণ্ডটিত ভগৱানৰ স্তুতিবাচক পদ আৰু বাকী পাঁচটা খণ্ডত ভাগৱত পুৰাণৰ দশম, একাদশ স্কন্ধৰ চমু আভাস দিয়া হৈছে। এই পুথিও অতি কম সময়ৰ ভিতৰতে ব্যক্তিগত বা সমূহীয়া ভাৱে কীৰ্তন-ঘোষাৰ দৰে পাঠ কৰিব পৰা নাম প্ৰসঙ্গমূলক পুথি।

অতি সংক্ষিপ্ত পৰিসৰত শঙ্কৰদেৱৰ সমগ্ৰ সাহিত্যিক অৱদানৰ পৰিচয় দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল। শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ সুচলতাৰ বাবে সাহিত্যৰ আশ্ৰয় লৈছিল, এই সাহিত্য কৰ্মসমূহৰ একাংশ গীত আৰু অভিনয়ৰ দ্বাৰা প্ৰচাৰিত হৈছিল। অভিনয় কৰা নাট বা ভাওনাত গীত, নৃত্য, বাদ্য আদি শৈলীৰ প্ৰয়োগ কৰিছিল। গতিকে এক উন্নতমানৰ পৰিৱেশ্য কলাৰ স্ৰষ্টাও আছিল শংকৰদেৱ।

**১.০৩ ভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱ ঃ**

প্ৰাচীন অসমৰ ধৰ্মীয় দিশটোৰ লগত এক ঐতিহাসিক পটভূমি জড়িত হৈ আছে। অসম বহু জাতি-জনগোষ্ঠীৰ সমন্বয়ক্ষেত্ৰ। নানা সময়ত নানা পথেদি আহি এই ৰাজ্যত বসবাস কৰা জনগোষ্ঠী সমূহ বিচিত্ৰ সাংস্কৃতিক আৰু সামাজিক জীৱনৰ বাহক। ধৰ্মীয় দিশত প্ৰাচীন অসমত শাক্ত আৰু শৈৱতন্ত্ৰ তথা বৌদ্ধতান্ত্ৰিক প্ৰভাৱ শক্তিশালী ৰূপত পৰিলক্ষিত হয়। ধৰ্মৰ নামত অযুক্তিকৰ ৰীতি-নীতিৰ প্ৰচলনৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে সমাজত বিভ্ৰান্তিৰ সূচনা হৈছিল। নৰবলি, স্বৰক্ত প্ৰদান, ব্যয়বহুল ধৰ্মীয় প্ৰথা, বহু দেৱ দেৱীৰ পূজা ইত্যাদি বিশৃংখল ধৰ্ম চেতনাই অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰে সাধাৰণ জনতাক বিশৃংখল পৰিস্থিতিৰ মুখামুখি কৰাইছিল। গতিকে সাধাৰণ শ্ৰেণীৰ সমাজ জীৱনৰ গতিশীল চৰিত্ৰলৈ জটিলতা আহি পৰিছিল। এনে সময়তে সমগ্ৰ ভাৰতবৰ্ষতে মূলতঃ উদাৰনৈতিক আৰু সমতাৰ দৃষ্টিভঙ্গীৰ বৈষ্ণৱ ভক্তি আন্দোলনৰ বিকাশ ঘটিবলৈ আৰম্ভ কৰিছিল। সনাতন হিন্দু ধৰ্মৰ বিকৃত ৰূপগ্ৰহণৰ পৰিপ্ৰেক্ষিতত সমাজত ব্যভিচাৰ আৰু কুআদৰ্শই স্থিতি লৈছিল। গতিকে সমগ্ৰ ভাৰতবৰ্ষতে বিশিষ্ট পৰিবৰ্তনৰ প্ৰয়োজন হৈছিল। দক্ষিণ ভাৰতত ভক্তি আন্দোলনৰ বীজ, অংকুৰিত হৈছিল। ইছলামৰ আগমণ, চুফীবাদৰ প্ৰসাৰৰ লগে লগে হিন্দু ধৰ্মৰ পুৰোহিত শ্ৰেণীৰ গোড়ামিয়ে সমগ্ৰ ভাৰতবৰ্ষতে ধৰ্মীয় অনুশাসনৰ নামত কঠোৰ ৰক্ষণশীলতা আৰু সামাজিক অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিছিল। উচ্চ-নীচ জাতিগত অস্পৃশ্যতাৰ ধাৰণা, আচাৰ-বিচাৰ তথা দেৱ-দেৱীৰ পূজাৰ জটিল পদ্ধতি আদি বিভিন্ন কাৰণত সমাজত প্ৰত্যাহ্বানৰ সূচনা হৈছিল। খৃঃ ৬ ষ্ঠ শতিকাৰ পৰা ৯ ম শতিকাৰ ভিতৰত দক্ষিণ ভাৰতৰ দ্ৰাবিড় দেশৰ আলৱাৰ

সকলে ভক্তি আন্দোলনৰ সূত্ৰপাত কৰিলে। সেই সময়ৰ নানা ধৰ্মীয় অনীতিৰ ভিতৰত ব্যয়বহুল যাগ-যজ্ঞ, পূজা-পাতলৰ লগতে তান্ত্ৰিক উপাসনা ৰীতিৰ প্ৰচলন আছিল। গতিকে জাতি-বৰ্ণ-নিৰ্বিশেষে সকলোৰে বাবে এক ভগৱানৰ সত্তা উপলব্ধিৰে উদাৰতা, দয়া, কৰুণা আৰু মানৱতাৰ বাণীযুক্ত ভক্তিমূলক উপাসনা গীত ৰচনা কৰি দক্ষিণ ভাৰতৰ আলৱাৰ সকলে এক বিশিষ্ট জাগৰণৰ সূচনা কৰিলে। তেওঁলোকে এক ঈশ্বৰৰ উপাসনা আৰু ভক্তিত গুৰুত্ব দিছিল। লাহে লাহে এই জাগৰণ সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিল। আলাৱাৰসকল, নাথমুনি, যমুনাচাৰ্য, শ্ৰীশঙ্কৰাচাৰ্য, ৰামানুজচাৰ্য, মধ্বাচাৰ্য, বল্লভাচাৰ্য, কবীৰদাস, তুলসীদাস, শ্ৰীমন্ত শঙ্কৰদেৱ— প্ৰভৃতি বিশিষ্ট ধৰ্মনেতা সকলে সমগ্ৰ ভাৰতবৰ্ষতে ভক্তিৰ মাধ্যমেৰে বিশিষ্ট জাতীয় জাগৰণৰ সূচনা কৰিলে। প্ৰচুৰ ধৰ্মীয় সাহিত্যৰ ৰচনাৰ দ্বাৰা এই জাগৰণে পূৰ্ণাংগ ৰূপ পাবলৈ সক্ষম হ'ল আৰু সৰ্বসাধাৰণৰ মনৰ মাজলৈ ব্যাপক ৰূপত সোমাই আহিল।

অন্যান্য ধৰ্ম প্ৰচাৰকসকলতকৈ উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ শ্ৰীমন্ত শঙ্কৰদেৱ ব্যতিক্ৰম আছিল। কাৰণ তেওঁৰ ভক্তিধৰ্ম কেৱল আবেগৰ দ্বাৰা নহয়, সামাজিক প্ৰয়োজনীয়তাৰ বাবেও পৰিচালিত হৈছিল। শঙ্কৰদেৱে ভাৰতৰ বিভিন্ন স্থান পৰিভ্ৰমণ কৰি সৰ্বভাৰতীয় পটভূমি ভক্তিৰ স্বৰূপ প্ৰত্যক্ষ কৰিছিল। সংস্কৃত ভাষাৰ শাস্ত্ৰ অধ্যয়ন আৰু তীৰ্থ ভ্ৰমণৰ জ্ঞান একত্ৰিত কৰি স্থানীয় ভাষাত ভক্তি সাহিত্য ৰচনা কৰি শঙ্কৰদেৱে অভূত পূৰ্ব জাতীয় জাগৰণৰ সূচনা কৰিবলৈ সক্ষম হ'ল।

শঙ্কৰদেৱে অসমত স্বতন্ত্ৰভাৱে মৌলিক বিশেষত্বপূৰ্ণ নৱবৈষ্ণৱ ধৰ্মৰ সূচনা কৰিছিল। তেওঁ সংস্কৃত শাস্ত্ৰ অধ্যয়ন কৰি অৰ্থাৎ বেদ, উপনিষদ, গীতা, ভাগৱতৰ সাৰ উদ্ধাৰ কৰি সৰ্ব-নিয়ন্ত্ৰা এজন ভগৱানৰ ওচৰত ভক্তিময় আত্মসমৰ্পনৰ জৰিয়তে সহজমাৰ্গৰ ধৰ্ম উপাসনাৰ উদ্দেশ্যে একশৰণ হৰিনাম ধৰ্ম অৰ্থাৎ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তন কৰিছিল। 'ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কূল' মতাদৰ্শৰে শঙ্কৰদেৱে এখন গণতান্ত্ৰিক সাম্যবাদী সমাজৰ পোষকতা কৰিছিল। তেওঁ তীৰ্থ ভ্ৰমণৰ জৰিয়তে সৰ্বভাৰতীয় স্তৰত লোকজীৱনক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিছিল। কলা-সাহিত্য-সংস্কৃতি তথা পৰিৱেশ্য কলাসমূহৰ মাধ্যমেৰে ধৰ্মীয় চেতনাৰ উত্তৰণ ঘটাব পৰা সাৰ্বজনীন জাগৰণৰ আঁত ধৰিছিল শঙ্কৰদেৱে। গতিকে তেওঁ সমসাময়িক অনাখৰী সমাজত দুৰ্বোধ্য সংস্কৃত ভাষাৰ পৰিৱৰ্তে পুৰণি অসমীয়া ভাষা আৰু ব্ৰজাৱলী ভাষাত কাব্য, নাট, গীত ৰচনা কৰি ধৰ্মৰ মাৰ্গ সৰ্বজনৰ বাবে মুক্ত কৰি দিছিল। বৈষ্ণৱ আন্দোলনৰ নৱবিধ ভক্তিৰ (শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, বন্দন, পদসেৱন, দাস্য, আত্মনিবেদন) ভিতৰত শঙ্কৰদেৱে শ্ৰৱণ আৰু কীৰ্তনক ভক্তি সাধনাৰ উৎকৃষ্ট মাৰ্গ হিচাপে গ্ৰহণ কৰি এক শৰণ হৰিনাম ধৰ্মক বিশিষ্ট গতিশীলতা প্ৰদান কৰিবলৈ

সক্ষম হৈছিল। সুদৃঢ় ভক্তিময় বিশ্বাসেৰে একমাত্ৰ এজন ঈশ্বৰ বিষ্ণু-কৃষ্ণৰ ওচৰত নিজক সমৰ্পন কৰাই শঙ্কৰী ধৰ্ম তথা একশৰন হৰিনাম ধৰ্মৰ মূল তত্ত্ব। শঙ্কৰদেৱ আৰু প্ৰিয় শিষ্য মাধৱদেৱে গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তুৰ প্ৰদানৰে ভক্তিৰ জৰিয়তে ভকত আৰু পৰম বিষ্ণুৰ অভেদত্বৰ যোগেদি এক বিশেষ দৰ্শন অথবা মতবাদ প্ৰতিষ্ঠা কৰে। তেওঁ জনসমাজত উক্ত দৰ্শন পৰিব্যাপ্ত কৰিবৰ নিমিত্তে কাব্যিক/সাহিত্যিক শিল্পচেতনা নিহিত হৈ থকা বৰগীত, ভটিমা, অঙ্কীয়া নাট, ভক্তি-প্ৰকাশক সাহিত্যলানিৰ সৃষ্টি কৰিলে। বিশিষ্ট শঙ্কৰী সাহিত্যৰাজিৰ মাজত ভগৱান বিষ্ণুৰ 'একমেৱদ্বিতীয়ম' ৰূপ আনন্দময় ভাৱে প্ৰকাশ পাইছে আৰু জনমানস ধৰ্মীয় সমতাৰ দৃষ্টিভঙ্গীৰে পৰিপূৰ্ণ হৈ পৰিছে।

বাণীকান্ত কাকতিৰ ভাষাত—

> সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নোৱাৰিলে কোনো আন্দোলনে যুগমীয়াকৈ তিষ্ঠিব নোৱাৰে আৰু গীতেই আন্দোলনৰ সহায়কাৰী সাহিত্যৰ প্ৰধান অঙ্গ। নাট-পদ আদিতকৈ গীতবোৰে শঙ্কৰদেৱৰ বৈষ্ণৱ আন্দোলনক বিপুলভাৱে সহায় কৰিছিল। পাখি লগা কাঁড়ৰ দৰে শঙ্কৰ আৰু মাধৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল ত'তে নৱ আধ্যাত্মিক ভাৱৰ গুটি সিঁচিছিল। [৯]

— এই কথাষাৰৰ তত্ত্ব শঙ্কৰদেৱে আজিৰ পৰা পাঁচ শতাধিক বৰ্ষৰো অধিক কালৰ আগেয়েই গভীৰ ভাৱে অনুধাৱন কৰিছিল। সেয়েহে গীত আদি মনোৰঞ্জনশীল আহিলাক ধৰ্মপ্ৰচাৰৰ মাধ্যম কৰি লৈছিল। ধৰ্মচৰ্চাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ আঁৰত ক্ৰিয়া কৰিছিল শঙ্কৰদেৱৰ সূক্ষ্ম সাহিত্যিক ৰসবোধ আৰু লোকমনস্তত্ব অধ্যয়নৰ গভীৰ দক্ষতাই। ধৰ্ম আৰু সমাজক এক সুস্থিৰ ক্ৰিয়াশীল ৰূপত আগবঢ়াই নিবৰ বাবে তেওঁ সাহিত্য-সংস্কৃতি চৰ্চাৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে বৃত্তিমূলক কাৰিকৰী শিক্ষাৰো আদৰ্শ প্ৰতিষ্ঠা কৰিছিল।

প্ৰাচীন অসমৰ ধৰ্মীয় পৰম্পৰাতো শৈৱ, শাক্ত, বৌদ্ধ, বৈষ্ণৱ ধৰ্মৰ বিচিত্ৰ প্ৰভাৱ পৰিছিল। বিবিধ কুসংস্কাৰপন্ন নৃশংস ধৰ্মীয়তাৰ প্ৰলেপ সনা অন্ধবিশ্বাসে অসমীয়া সমাজখন অৰাজক কৰি তুলিছিল। অন্যহাতেদি শঙ্কৰদেৱে আঁত ধৰা নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ সামাজিক আৰু ৰাজনৈতিক পৃষ্ঠভূমি অতি জটিল আছিল। শঙ্কৰদেৱৰ আৰ্বিভাৱ এক বিক্ষিপ্ত ৰাজনৈতিক পৰিস্থিতিত হৈছিল। বহল অসমভূমি বিভিন্ন খণ্ডত বিভক্ত হোৱাৰ লগতে বিভিন্ন ধৰ্মীয় মতাদৰ্শৰ লোকে ইয়াত বসবাস কৰিছিল। আহোম, চুতীয়া, কছাৰী, কোঁচ, ভূঞা, কমতা- খণ্ড খণ্ডকৈ বিবিধ শাসক গোষ্ঠীয়ে অসমক শাসন কৰিছিল। সাংস্কৃতিক সুন্দৰ সহজ-সৰল জীৱন যাপনৰ পৰিবৰ্তে অসমীয়া লোকসমাজ সাম্প্ৰদায়িক বিদ্বেষ, ধৰ্মীয়

---

৯. *বাণী কান্ত কাকতিৰ ৰচনাৱলী।*

নৃশংসতা প্ৰভৃতিৰে আচ্ছন্ন হৈ বিপদাপন্ন হৈ পৰিছিল। এনে বিসদৃশ পৰিস্থিতিৰ মাজতে ১৫শ শতিকাত শঙ্কৰদেৱৰ আৰ্বিভাৱ ঘটিছিল।

ধৰ্ম, সংস্কৃতি আৰু সামাজিক জীৱনৰ মাজত বিশেষ ঐক্যসূত্ৰ প্ৰতিষ্ঠা কৰি শঙ্কৰদেৱে মধ্যযুগীয় অৰাজক অসমক নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ মাধ্যমেৰে নৱতম ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। তেওঁ প্ৰচলিত সামাজিক মূল্যবোধৰ পৰিবৰ্তন ঘটাই ভক্তি আৰধনাৰ সহজ উপায়েৰে একশৰণ হৰিনাম ধৰ্মৰ গূঢ়তত্ত্বৰ লগত অসমীয়া সমাজক পৰিচয় কৰাই দিলে। উক্ত একশৰণ হৰিনাম ধৰ্মৰ মূল ভিত্তি হৈছে এজন পৰম ঈশ্বৰৰ ওচৰত ভক্তি আৰধনাৰে গভীৰ আত্মসৰ্মপণ। আধ্যাত্মিক জীৱনৰ পৰিশুদ্ধতাৰ বাবে একমাত্ৰ ভগৱানৰ প্ৰতি গভীৰ ভক্তিয়েই সৰ্বোৎকৃষ্ট মাধ্যম বুলি শঙ্কৰদেৱে ঘোষণা কৰিলে। বৈষ্ণৱ ধৰ্মীয় ব্যাখ্যাৰে ভক্তি প্ৰকৃতাৰ্থত মানৱ মনৰ এনে এক চৰমতম অৱস্থা, য'ত ভগৱানৰ প্ৰতি মানৱ-হৃদয় বিগলিত হৈ কোনো ধৰণৰ সাংসাৰিক মায়া-মোহ, সমস্যালৈ দৃষ্টি নিক্ষেপ নকৰি একমাত্ৰ ভগৱানৰ প্ৰতি উপাসনাবিষ্ট হয়। ভগৱানৰ প্ৰতি গভীৰ প্ৰেম-অনুৰাগেই ভক্তিৰ প্ৰাথমিক স্তৰ। এই ভক্তিক কিদৰে সহৃদয় সংবেদনশীলতাৰে সৰ্বসাধাৰণ জনগণৰ ওচৰলৈ লৈ গৈ ধৰ্মীয় আবেগক এক সাংস্কৃতিক সুস্থিৰতা আৰু সহজ গতিশীলতা প্ৰদান কৰিব- তাৰেই অভূতপূৰ্ব মাধ্যম শঙ্কৰদেৱে উদ্ভাৱন কৰিলে। সেইবাবে তেওঁ তিনিটা বিশিষ্ট উপায় গ্ৰহণ কৰিছিল।

(ক) তেওঁ বৰগীত, কাব্য, তত্ত্বমূলক গ্ৰন্থ সাহিত্যৰ যোগেদি জনসমাজলৈ ধৰ্মীয় তথা জীৱন-নিৰ্বাহৰ সুস্থিৰ নিয়মপ্ৰণালীৰ শিক্ষা আৰু উপদেশ প্ৰেৰণ কৰিছিল।

(খ) পৰিৱেশ্য কলাসমূহ — নাট, অভিনয় তথা ভাওনাৰ জৰিয়তে জনসমাজলৈ শিক্ষামূলক আৰ্হি প্ৰেৰণ কৰিছিল।

(গ) নামপ্ৰসঙ্গৰ বাবে 'কীৰ্তন'ৰ খণ্ডসমূহ ৰচনা কৰি ভক্তি তত্ত্বক সৰ্বসাধাৰণৰ মাজলৈ লৈ গৈছিল।

নৱবৈষ্ণৱ ধৰ্মত শঙ্কৰদেৱে নৱবিধ ভক্তিৰ বিশেষ দুবিধক শ্ৰেষ্ঠ আখ্যা দিছে সেয়া হ'ল শ্ৰৱণ আৰু কীৰ্তন। ভগৱান বিষ্ণুৰ লীলামালাৰ কথা আনৰ পৰা শুনি বা নিজে উচ্চাৰণ কৰি গোৱাৰ মাধ্যমেৰে শ্ৰৱণ আৰু কীৰ্তন ভক্তি সিদ্ধ হয়। পঞ্চদশ শতিকাৰ অনাখৰী লোকজীৱনৰ পক্ষে এইধৰণে ভগৱানক উপাসনা কৰাটো উত্তম বুলি বিবেচিত হৈছিল। আধ্যাত্মিক আবেগক সাহিত্যকলাৰ মাধ্যমেৰে সুস্থিৰ আৰু শৃংখলিত ৰূপত গতিশীল কৰিবলৈ সক্ষম হৈছিল শঙ্কৰদেৱৰ ধৰ্মীয় নেতৃত্ব। উক্ত পৰিশীলিত

ভক্তিতত্ত্বক প্ৰধানকৈ নামপ্ৰসঙ্গমূলক পদচয়ন কীৰ্তন-ঘোষাৰ জৰিয়তে জনমানসত সুমোৱাই দিয়া হৈছিল। কীৰ্তন-ঘোষাত প্ৰতিটো খণ্ডৰ বিষয়বস্তু আৰু কাহিনীকথনৰ অনুপম শৈলীৰে শঙ্কৰদেৱে এক শৈল্পিক ধৰ্মীয় দৰ্শনেৰে অসমীয়া জাতিৰ মানসিকতাক নতুনকৈ গঢ় দিছিল। কীৰ্তন-ঘোষা এখন ভিত্তিগ্ৰন্থ, যাৰ অৱলম্বনত বৃহত্তৰ অসমীয়া জাতি-সংস্কৃতি ধৰ্মৰ মাধ্যমেৰে একত্ৰিত হ'ল। এই পুথিৰ মাজতে শঙ্কৰদেৱৰ অভিজ্ঞতাপুষ্ট দূৰদৰ্শী মানসিকতা, ব্যক্তিত্ব আৰু জাতীয় চেতনাৰ বীজ নিহিত হৈ আছে।

মধ্যযুগীয় অনাখৰী লোকসমাজৰ উপযোগীকৈ বিশিষ্ট সুৰধৰ্মিতাৰে কাহিনী কথন এই পুথিৰ অন্যতম বৈশিষ্ট্য। ভিন্ন ছন্দসজ্জা, অলংকাৰৰ প্ৰয়োগৰ লগতে শব্দচয়নৰ গীতি ধৰ্মিতাই কীৰ্তন-ঘোষাক এক বিশিষ্ট আকৰ্ষণ আৰু সৌন্দৰ্য প্ৰদান কৰিছে। নাম প্ৰসঙ্গমূলক কাব্যগ্ৰন্থ হিচাপে এই পুথিৰ গুৰুত্ব সম্পৰ্কে নেওগে *শ্ৰীশ্ৰী শঙ্কৰদেৱ গ্ৰন্থ*ত উল্লেখ কৰিছে,

> কীৰ্তন ঘোষা এক স্বতন্ত্ৰ শ্ৰেণীৰ সাহিত্য। শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা পুথিৰ একোটি খণ্ডত একোটি কাহিনী বা আন বিষয়বস্তু বিবৃত হৈছে। একোটি খণ্ড দুইৰ পৰা কুৰিমানলৈকে কেইবাটিও কীৰ্তনৰ সমষ্টি। প্ৰত্যেকটি কীৰ্ত্তন একোটি খণ্ড কবিতাৰ দৰে, নিৰ্দিষ্ট ঘোষা এটি পুনঃ পুনঃ আবৃত্তি কৰি কীৰ্তনৰ পদসমূহ গোৱা হয়।
>
> ... ... ...
>
> ধৰ্মপ্ৰচাৰ, ধৰ্ম শিক্ষা আৰু ধৰ্মজীৱন গঢ়িবৰ নিমিত্তেই এই সৰ্বাংগসুন্দৰ পুথিখনি ৰচিত হৈছিল।[১০]

মধ্যযুগীয় সমাজখনত সৰ্বভাৰতীয় স্তৰত বিশৃংখল ধৰ্মীয় অৰাজক পৰিস্থিতিৰ সূত্ৰপাত হৈছিল। ধৰ্মৰ নামত নৃশংস প্ৰথাই মানুহক সদাভীতিগ্ৰস্ত কৰিছিল। সেয়ে সংস্কৃত শাস্ত্ৰৰ তত্ত্বভেদ কৰি শঙ্কৰদেৱে সৰল মাৰ্গীয় একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিলে। নিষ্কাম কৰ্মযোগ তাত্ত্বিক দৰ্শন এই ধৰ্মত আৰোপ কৰা হ'ল। সেই সময়ৰ শোষিত জনতাৰ আবেগক মানৱীয় দৃষ্টিভঙ্গীৰে পৰিশোধিত কৰি হিন্দু ধৰ্মীয় বৈদিক সংস্কৃতিৰ মূল তত্ত্বক একশৰণ হৰিনাম ধৰ্মৰ মূল খুঁটা গুৰু, দেৱ, নাম আৰু ভকতৰে পৰিবেষ্টিত এখন সাম্যবাদী সমাজৰ প্ৰতিষ্ঠা কৰা হ'ল। এই গুৰুত্বপূৰ্ণ পদক্ষেপে অসমীয়া জাতীয় জীৱনক এক দীৰ্ঘকালীন ধৰ্মীয়-সাংস্কৃতিক সুস্থিৰতা প্ৰদান কৰিবলৈ সক্ষম হ'ল। এই নতুন ধৰ্মমতৰ বিশেষত্বসমূহ

১০. মহেশ্বৰ নেওগ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃ. ১২২

হ'ল—

ক) উক্ত ধৰ্মই জীৱনৰ নতুন অৰ্থ-অন্বেষণত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিলে।

> কেৱল আহাৰ-নিদ্ৰা আৰু মৈথুনেই জীৱনৰ লক্ষ্য নহয়..., আনন্দ-বিষাদ-বিস্ময়ৰ বিবিধ অভিজ্ঞতায়ো জীৱনক নতুন অৰ্থ দিব পাৰে। জীৱন মহামূল্যৱান-কাৰণ, ইয়াত আছে পৰম প্ৰেমময়ৰ স্পৰ্শ আৰু পৰমজনক উপলব্ধিৰ সুযোগ।[১১]

খ) উক্ত ধৰ্মই ভক্তিৰ সাধনাৰে সহনশীল সাম্যবাদ অৰ্থাৎ একতাৰ সমাজৰ পোষকতা কৰে; য'ত সকলো জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ মানুহে সমান আসন লাভ কৰিবলৈ সক্ষম হয়।

গ) উক্ত ধৰ্মত পৰমপুৰুষ বিষ্ণুয়েই একমাত্ৰ পূজনীয় দেৱতা। একমেৱ দ্বিতীয়ম ঈশ্বৰ আৰাধনাৰ বাবে নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱন-কীৰ্তনত বেছি গুৰুত্ব দিছিল।

ঘ) শ্ৰীমদ্ভাগৱতপুৰাণ আৰু গীতাৰ সাৰমৰ্ম সৰল ভাষাত চৰ্চা কৰিবৰ নিমিত্তে কীৰ্তন-ঘোষাৰ ৰচনা কৰা হ'ল, যাৰ ফলত সমূহীয়া প্ৰসংগ প্ৰণালীয়ে ধৰ্ম আচৰণ সহজ কৰি তুলিলে।

(ঙ) ধৰ্মীয় প্ৰথাৰ দোহাই দি কৰা পশুবলি, নৰবলি ইত্যাদিৰ পৰিৱৰ্ত্তে ভক্তিৰ মাধ্যমেৰে ভগৱানৰ নাম তথা গুণানুকীৰ্তন একশৰণ হৰিনাম ধৰ্মৰ মূলতত্ত্ব হৈ পৰিল।

(চ) লোকসমাজক শিক্ষিত-সংস্কাৰী আৰু সাংস্কৃতিক বাতাবৰণেৰে পৰিপুষ্ট কৰিবলৈ শঙ্কৰদেৱে উক্ত ধৰ্মচৰ্চাৰ কেন্দ্ৰবিন্দু হিচাপে সাহিত্য-সংস্কৃতিক গ্ৰহণ কৰিলে। গীত-পদ, নাট ৰচনা কৰি সেইসমূহৰ কলাসুলভ দৃশ্য আৰু শ্ৰব্য পৰিৱেশনৰ দ্বাৰা জনসাধাৰণক ভক্তিমুখী কৰাত সফলতা লাভ কৰা হ'ল।

নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে এক সংস্কাৰমূলক জাগৰণ সৃষ্টি কৰি শঙ্কৰদেৱে অসমীয়া লোকসমাজক বিজ্ঞানসন্মত দৃষ্টিকোণেৰে পুৰ্নগঠন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা আগবঢ়ালে। উক্ত ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে শঙ্কৰদেৱে গীত-পদ, নৃত্য-নাটক, চিত্ৰকলা, সাহিত্য চৰ্চাক মূল হিচাপে লোৱাৰ বাবেই অসমীয়া সমাজৰ সামগ্ৰিকভাৱে ধৰ্মৰ লগতে সাংস্কৃতিক উত্তৰণ সম্ভৱপৰ হ'ল। এক সংস্কাৰমূলক ধৰ্মীয় জাগৰণ সূত্ৰপাত হ'ল।

উক্ত সকলো দিশ চালি-জাৰি চাই শঙ্কৰদেৱে অসমীয়া সমাজৰ ধৰ্মীয় জীৱন কিদৰে সংগঠিত কৰি মূলতঃ সাহিত্য-সংস্কৃতিৰ মাধ্যমেৰে এক বিশাল সাংস্কৃতিক আন্দোলনৰ গুৰি ধৰিছিল তাৰ আভাস পাব পাৰি। শঙ্কৰদেৱে মধ্যযুগীয় অসমৰ সামাজিক অৰাজকতা শাম কটাই এক শৈল্পিক বাতাবৰণ গঢ়ি তুলি অসমক নতুন পৰিচয় প্ৰদান কৰিছিল। শঙ্কৰদেৱৰ সৃষ্টিশীলতাত শিল্পীসত্বা বিৰাজমান। সৌন্দৰ্য

---

১১. কৰবী ডেকা হাজৰিকা, *বক্তৃতাৰ বিষয় ঃ শ্ৰীমন্ত শঙ্কৰদেৱ দ্ৰষ্টা আৰু স্ৰষ্টা*

চেতনাৰ সূক্ষ্মতম আৰধনা তেওঁৰ ভক্তি সাধনাৰ মূল দৰ্শন বুলি আধুনিক দৃষ্টিভঙ্গীৰে চাব পাৰি। তেওঁৰ নাটত, কাব্যত, গীতত— প্ৰতিটো সৃষ্টিশীল কাৰ্যতে সত্য-সুন্দৰৰ প্ৰতিমূৰ্তি ভগৱানৰ বন্দনা আছে। ইয়াৰ আঁৰত জনসাধাৰণক আকৰ্ষিত কৰাৰ দৰ্শন নিহিত হৈ আছে। সহজ সৰল জীৱনশৈলী শৃংখলিত কৰাৰ উদ্দেশ্যে তেওঁ এক বিশাল কৰ্ম সংস্কৃতিৰ আৰম্ভণি কৰিছিল। শঙ্কৰদেৱৰ ধৰ্ম, দৰ্শন, সাহিত্য, কলা, সমাজ-সংগঠন সকলোৰে আঁৰত মানৱ জীৱনৰ সুস্থ সৰল পৰিষ্কাৰ-পৰিচ্ছন্ন শৃংখলিত সাংস্কৃতিক ক্ৰিয়াশীলতাৰ সূত্ৰ লুকাই আছিল। প্ৰকৃতাৰ্থত শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্মবাদৰ জৰিয়তে এক অহিংসা অথচ বিদ্ৰোহাত্মক ভক্তি আন্দোলন তথা অভিযানৰ গুৰি ধৰিলে। এক সন্ধিক্ষণৰ সময়ত তেওঁ ভক্তিৰ মাধ্যমেৰে আধ্যাত্মিক কবি-শিল্পী-নাট্যকাৰ তথা অসামান্য প্ৰতিভাসম্পন্ন লেখক হিচাপে অসমীয়া জাতিৰ বাবে বিশাল অনুপ্ৰেৰণা হৈ থিয় দিলে। থলুৱা ভাষাক গাম্ভীৰ্যপূৰ্ণ, প্ৰাঞ্জল ৰচনাশৈলী প্ৰদান কৰি প্ৰধানভাৱে কীৰ্তন-ঘোষা আৰু অন্যান্য ৰচনা-সম্ভাৰৰ জৰিয়তে তেওঁ ভক্তি আন্দোলনক সফলভাৱে আগবঢ়াই নিবলৈ সক্ষম হ'ল।

### ১.০৪ অসমৰ লোকজীৱন ঃ বৈচিত্ৰ্য আৰু বৈশিষ্ট্য ঃ

মানুহে সমষ্টিগতভাৱে বসবাস কৰিবলৈ আৰম্ভ কৰাৰ পৰাই অলিখিতভাৱে বিভিন্ন বিশ্বাস, ৰীতি-নীতি তথা সংস্কাৰসমূহ গঢ় লৈ উঠিছিল। এটা সময়ত 'লোক' (folk) শব্দটো অনাখৰী, বিশেষকৈ গ্ৰামীণ জনতাক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। সাম্প্ৰতিক সময়ত ইয়াৰ অৰ্থ বহল হৈ পৰিছে। একোটা নিৰ্দিষ্ট অঞ্চলত বসবাস কৰা 'লোক' অৰ্থাৎ মানুহৰ সমষ্টিৰ ধ্যান-ধাৰণা, বিশ্বাস তথা সংস্কাৰ সাধাৰণতে একে হয়। এনে জনসমষ্টিয়ে একে ধৰণৰ বিশেষ সামূহিক নিয়মৰ অধীনত বসবাস কৰে। বৰ্তমান সময়ত এনে জনসমষ্টিয়ে শিক্ষিত-অশিক্ষিত সকলো স্তৰৰ লোককে সামৰি লয়। লোকজীৱন বুলিলে সমষ্টিগত মানুহৰ সামূহিক জীৱন শৈলীক বুজোৱা হয়।

অসমীয়া লোকজীৱন বুলিলে সমগ্ৰ অসমৰ বাসিন্দাসকলৰ সামাজিক জীৱনশৈলীক বুজোৱা যায়। ভিন্ন জাতিৰ ৰীতি-নীতিৰ সংস্কাৰ সন্নিৱিষ্ট যদিও অসমৰ অধিবাসীসকলৰ সৰহ সংখ্যক এক বিশেষ জীৱনশৈলীৰ অধীনত জাতীয়তাৰ বান্ধোনেৰে বান্ধ খাই আছে। এই অসমীয়া সমাজখনৰ জীৱনশৈলী পৰম্পৰাগত ভাৱে সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পটভূমিত ক্ৰমশঃ গঢ় লৈ উঠিছিল। শঙ্কৰদেৱৰ সমসাময়িক সমাজখন তথা অসমৰ জনসংখ্যাৰ গোষ্ঠীগত গাঁথনিৰ সঠিক বিৱৰণ লাভ কৰাটো সম্ভৱ নহয়। বৈদিক ব্ৰাহ্মণ, কায়স্থ, দৈৱজ্ঞ, কলিতা, নদীয়াল, সোণোৱাল, কুমাৰ, আহোম, কোঁচ-কছাৰী,

ৰাজবংশী, কেওট, মিচিং-মিৰি আদি বিভিন্ন-জনগোষ্ঠীৰ সমন্বয়ক্ষেত্ৰ অসম। মধ্যযুগত বৈদিক ব্ৰাহ্মণ সকলৰ দ্বাৰা প্ৰচলিত খৰছী উপাসনাৰীতি আৰু বহু দেৱ-দেৱীৰ পূজনে অসমীয়া সমাজলৈ শ্ৰেণী বৈষম্যৰ ধাৰণা আনি দিছিল। পুৰাণ, তন্ত্ৰ-মন্ত্ৰ আদিৰ মাধ্যমেৰে সমাজত প্ৰচলন হোৱা অমানবীয় ধৰ্মী প্ৰথাৰ অৱসান ঘটোৱা আৰু বেলেগ বেলেগ জনগোষ্ঠীৰ ভিন্ন ধৰ্মীয় মানসিকতাক একমুখী কৰাত শঙ্কৰদেৱৰ সৰল ধৰ্ম-দৰ্শনে বিশেষভাৱে ক্ৰিয়া কৰিছিল।

কীৰ্তন-ঘোষাৰ কৃষ্ণ লীলা-মালা, ভাগৱতৰ তাৎপৰ্য, ঊৰেষা বৰ্ণন আদি খণ্ডত অসমৰ বিচিত্ৰ জনগোষ্ঠী, বৃত্তিৰ বিৱৰণ পোৱা যায়। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বিদ্যাধৰ, কিন্নৰ, চাৰন, তেলী, মালী, শিলাকুটি, বনিয়া, সূতাৰ, চৰ্ম্মকাৰ, চিত্ৰকৰ, কুম্ভকৰ, নট, ভাট, নৰ্তকী, গায়ন অসংখ্য জাতি আৰু বৃত্তিধাৰী লোকৰ সমষ্টিয়ে অসমৰ জনসমষ্টি নিৰ্দ্ধাৰণ কৰিছিল বুলি ‘কীৰ্তন-ঘোষা’ৰ পদত উল্লেখ পোৱা যায়। তদুপৰি অসমৰ জনসমষ্টি সম্পৰ্কে শঙ্কৰদেৱে ভাগৱতৰ দ্বিতীয় স্বন্ধৰ দ্বিতীয় অধ্যায়ত উল্লেখ কৰিছে যে-

কিৰাট কছাৰী খাছী/গাৰো মিৰি/যৱন কঙ্ক গোৱাল

অসম মুলুক ধোবা যে/তুৰুক/কুমাৰ ম্লেছ চণ্ডাল

মধ্যযুগৰ সময়ৰ পৰাই অসমত এই বিচিত্ৰ জনগোষ্ঠীসমূহ সংগঠিত হৈ থাকিবলৈ শিকাৰ কথা উপলব্ধি কৰিব পৰা যায়। কিৰাত বা মংগোলীয়, কাৰবি, ডিমাচা, বড়ো-কছাৰী, গাৰো প্ৰভৃতি জনসমষ্টিৰ বিৱৰণো শঙ্কৰদেৱৰ ৰচনাত পোৱা যায়। কীৰ্তনৰ পদৰ পৰাই জনা যায় যে একাধিক বৃত্তিয়াল লোক সেইকালত আছিল। বিচিত্ৰ জনগোষ্ঠীৰ বিভিন্ন ধৰ্ম, লোকাচাৰৰ সংমিশ্ৰণেৰে অসমীয়া লোকজীৱন অতিশয় বিশেষত্বপূৰ্ণ। অসমৰ শিল্প-ভাস্কৰ্য, চিত্ৰ, বয়ন-শিল্প, গীত-মাত, খেলা-ধূলা, খাদ্যভ্যাস সকলোতে বৈচিত্ৰ্যময় সমন্বয় দেখিবলৈ পোৱা যায়। শঙ্কৰদেৱে প্ৰধানত ঃ কীৰ্তন ঘোষাৰ মাধ্যমেৰে খিলঞ্জীয়া অধিবাসীসকলৰ লগতে ভিন্ন ভাষা-ভাষী, জাতি-উপজাতি আৰু ভিন্ন ধৰ্মৰ মানুহৰ মাজত জাতীয়তাবোধৰ বীজ ৰোপন কৰিবলৈ সক্ষম হৈছিল। এই জাতীয়তাবোধ বৰ্তমান সময়তো প্ৰাসংগিক।